

# "ভয়"

◆ শ্ৰীভূপতি দাস
প্ৰৱক্তা, শিক্ষা বিভাগ




ভয় লাগেই বাবেইতো
সঁচাক ভয় কৰো।
ভয়ৰ বাবেই কেঁচুৱাই কান্দে।
তোমালৈ থকা ভয়ৰ বাবেই
প্ৰেম নিবেদন কৰোঁ।
তোমাৰ অবিন্যস্ত কেশতাৰি আৰু শুকান
মুখখনলৈ বৰ ভয়
জানোচা সাঁচি থোৱা মৰমবোৰ——
ভয় বৰ নিষ্ঠুৰ—
সময়তকৈ, দিনতকৈ, বছৰতকৈও।
ভয়ৰ কোনো ভাষা নাই— সীমা নাই।
ই যি কোনো সময়তেই আহে।
আজি কালি ভয়বোৰ বৰ স্বাৰ্থপৰ।
সেই বাবে কেতিয়াবা ভয় নালাগিলেও
ভয় কৰিবলৈ মন যায়।
ভয়ৰ বাবেইতো জীৱন !
নে জীৱনৰ বাবে ভয়!!
জীৱনৰ আশাবোৰ সাঁচি পিতি গঢ়িবলৈ
কাৰনো বাৰু ভয় নাই।
ভয় যিমান বাঢ়ে
জীৱনৰ মায়াও সিমান বাঢ়ে।
ভয়ৰ বাবে মিছাৰ জন্ম।
মিছাবোৰে ভয়ক সমীহ কৰে।
ইয়াৰ গতিপথ বৰ খলা বমা।
কেতিয়াবা আপোন পাহৰা হৈ
ভয়ে পৃথিৱীৰ আচল সত্যবোৰ কৈ পেলাই।
তেতিয়া কিন্তু অবোধ শিশুটিলৈ মনতপৰে
এন্দুৰ দেখিলে যে শিশুৱে ভয় কৰে
মেকুৰী দেখিলে ভয় কৰে
ভুতৰ কাহিনী শুনিলে যে ভয় কৰে
টোপনি আহে
সেইবোৰ লৈ।




ভয়ৰ এটি নিজাৰূপ আছে।
আমাৰ মনৰ ভয়
কামৰ ভয়
আশাৰ ভয়
প্ৰেম, ভাল পোৱা, হৰ্ষ-বিষাদ
সভ্যতাৰ গহ্বৰত লুকাই থকা
ভয়ৰ নিষ্ঠুৰ প্ৰকাশ। **

# সপোন

◆ শ্ৰীমহেন্দ্ৰ ৰাভা
স্নাতক ১ ম বৰ্ষ।



চোৱাচোন, চোৱা
সন্ত্ৰাস পীড়িত, উচ্ছৃংখল প্ৰমূল্যবিহীন
সমাজ খনলৈ।
ডাওৰ জোলোঙা ওলোমাই
আগবাঢ়ি আহিছে সিঁহতে
বুকুৰ ভিতৰলৈ
দেখা নাইনে
গাবযে নোৱাৰে সিঁহঁতে
অন্যায়, অবিচাৰ দুৰ্নীতি, সুবিধাবাদীৰ
বুকু ভেদ কৰা গান।
ক্ষুধৰ্তি, শোষিত, নিস্পেষিত আৰু
দৰিদ্ৰতাৰ সতে মিতিৰালি,
কাৰণ সিঁহতৰ ক্ষুধাৰ টান।
আত্মমৰ্য্যাদাক বিসৰ্জন, নীতিবোধক কবৰস্ত কৰি
জীয়াই আছে সিঁহতে
বিভৎস কোলাহৰ মাজত।
ভয় লগা কথা কব নোৱাৰে সিঁহতে
মানবতা বিহীন কৰ্মবাহিনীৰ ভয়ত।
হিংসা, ধংসলীলাৰ মহা প্ৰলয়,
সেউজীয়াবোৰ, জোনাকবোৰ জোলোঙাৰ
ভিতৰত
ত্ৰাসিত, কম্পিত কণ্ঠেৰে,
আবালবৃদ্ধ বনিতাৰ—
নতুন পৃথিৱীলৈ,
নতুন পুৰুষলৈ,
নতুন সমাজলৈ,
শান্তিৰ বতাহলৈ,
আকুল আহ্বান
সভ্যতাৰ কদাকাৰ ৰূপ উলংগ কৰিবলৈ
বিভৎসতাৰ আবৰণ খুলিবলৈ
ভণ্ডামী, ধুৰন্ধৰ নেতাৰ সন্মুখত
বুকুপাতি দিবলৈ।



# গীত

◆ হজৰত আলী আহমেদ
মূৰব্বী প্ৰবক্তা,
ৰাজনীতি বিজ্ঞান বিভাগ

(১)

আহা আমি মিলিজুলি
মৰমেৰে সাঁকো সাজি
জীৱন নদী পাৰ হবলে'
লঁওহি শপত আজি।

জীৱনৰ আছে এটি বাট দূৰ বহুদূৰ
নহয় যে সেই বাট অতিশয় মধুৰ
আছে তাত হিংসা-সংঘাত আছে কপটতা
তাৰ মাজতে আছে জিলিকি মৰমৰ মাদকতা
সেয়েহে আহা আগুৱাই যাওঁ
মৰমেৰে হৃদয় ভৰাওঁ
হিংসাৰ দলিচা আঁতৰাই আজি
লওঁ বাট জীৱনৰ মচি-কাচি।

মৰম প্ৰীতিৰ কোলাৰ মাজতে
শান্তিৰ নিজৰা বয়
হিংসা-সন্ত্ৰাস ধূই পখালি
জগতক সৰগ সজায়



সেয়েহে আহা হওঁ আগুৱান
হিংসাক দিওঁ বলিদান
জীৱনৰ বাটত যাওঁ আজি
এছাটি মৰমৰ মলয়া সিঁচি।


(২)

কি যাদুৱে সাৰটি ধৰিলে
মানৱ সমাজ অচেতন কৰিলে
মৰম-চেনেহ মোহাৰি পেলাই
পাশৱিকতাই পাতনি মেলিলে।

সহনশীলতা নাইকীয়া হ'ল
মৰমৰ এনাজৰী ছিঙি গ'ল
জিঘাংসাৰ জুইয়ে সম্প্ৰীতি জ্বলালে
সঁচা মানৱতা কেনিবা লুকালে।

যোগ্যজনে আসন এৰিছে
অযোগ্যজনে আসনত বহিছে
সভ্যৰ পথ প্ৰতিহত কৰি
অসত্যই দেখোন যাত্ৰা কৰিলে।

# তেজ



◆ মিচ্ বন্তি দেৱী ৰাভা
উঃমাঃ দ্বিতীয় বৰ্ষ

মানুহৰ তেজৰ বাবে ব্যাকুল হোৱা
এচাম যুৱকৰ কণ্ঠত
বৰকৈ বাজিছে এটি শ্লোগান
"আমাক তেজ লাগে;তেজ দিয়া মানুহৰ তেজ।"

আলোচনীৰ পাতে পাতে কেঁচা তেজৰ গোন্ধ
মৃত্যুমুখী জনতাক বচাই ৰাখিবলৈ হেনো
কেঁচা তেজৰ প্ৰয়োজন
নিজৰ দেহৰ শিৰাইদি বৈ থকা
তেজৰ কথা কথা পাহৰি
আনৰ তেজ বিচৰা
সেইচাম যুৱকে গঢ়িব বিচাৰিছে কি
আমাৰ প্ৰত্যাশিত এখনি নিকা সমাজ?


অশান্তিক শান্তিৰে স্থাপন?
সন্দেহ হয়! হাঁহি উঠে কেতিয়াবা
হায়! ব্যাকুল যুৱক।

নিজৰ সমাজতে সকলো আছে
বিচাৰিব নাজানি হাহাকাৰ কৰি মৰিছে।
মানুহ হৈও পশুত্বৰ চিনাকি দিছে।
মানুহৰ তেজেৰে পিয়াহ পলুৱাইছে।

নাজানো সেইচাম যুৱকৰ
কেতিয়া হব জ্ঞান
কেতিয়া বন্ধ হব সেই শ্লোগান
"আমাক তেজ লাগে; তেজ দিয়া
মানুহৰ তেজ।"

# উন্মুক্ত প্ৰেম


◆ শ্ৰীদৰ্পনা ৰাভা
উঃমাঃ ২ য় বৰ্ষ



হবানে তুমি চিনাকী
মোৰ লগত?
হৃদয়ৰ কোঠাতে আৱদ্ধ
কৰি ৰখা মোৰ
প্ৰেমক সহাঁৰি জনাবলৈ।

পাতিবানে তুমি
মোৰ লগত অলপমান কথা?
দিলোঁহেতেঁন তোমাৰ সন্মুখত
হৃদয়খন জাৰি-জোকাৰি।

শুনিবানে তুমি মোৰ
সেই বিননি?
যি নেকি মই
অকলশৰে কটিয়াই
ল'ই ফুৰিছোঁ নিৰবে,
প্ৰেমৰ ভৰত বিকৃত
হ'ই পৰা মোৰ
উন্মুক্ত সেই প্ৰেমক।




# তোমাৰ সৃষ্টিত

◆ মিচ্ জোনমনি দাস
স্নাতক প্ৰথম বৰ্ষ

তোমাৰ অস্তিত্ব মোত
পূৰ্বজ লীন মোৰ ৰক্তত,
অন্তঃসত্তা মাথো তোমাৰ
সৃষ্টিত,
আউসীৰ বিপৰীতে মোৰ
হাজাৰ জোনাকীৰ।
মোৰ অন্তঃসত্তাত
গৰ্ভস্থ কল্পনাৰ
বাধাহীন ডেউকা।
কেনভাচত পৰা তুলিকাৰ
ক'ত অপেক্ষাৰ অনভিপ্ৰেত
নিৰংকুশ শাশ্বত মিঠা যন্ত্ৰনা।
লিওনাৰ্ডোৰ সৃষ্টিত
ভূমিষ্ঠ আজি যে মনালিছা।






# অচিনাকী পখি

◆ মিচ্ গীতা মণি কলিতা
উচ্চতৰ মাধ্যমিক দ্বিতীয়বৰ্ষ



সিদিনাখন মই
সেই অচিনাকী ঠাইখনৰ
লগত চিনাকী হৈছিলো।
চিনাকীৰ প্ৰথম প্ৰহৰতে
ঋতু কীয়া সাজেৰে,
পৰিবেষ্টিত প্ৰাণীটিয়ে আহি
মিচিকিয়া হাঁহিৰে
মোক বাৰুকৈয়ে জোকাইছিলে।
ময়ো একেথৰে ভেবালাগি
চাই ৰৈছিলো—
কিন্তু চকুৰ পলকতে
পাখি মেলি কলৈ গ'ল
গমকে নাপালো।
বিচাৰি বিচাৰি হাবাথুৰি খালো
কিন্তু এতিয়াও যে নাপালো।*****







# মা

◆ শ্ৰীগিৰিধৰ ৰায়
উঃ মাধ্যমিক দ্বিতীয়বৰ্ষ

যাৰ পৰশত দেখিছো আজি
শ্যাম বৰণৰ দলিচা এখনি।
যিয়ে মোৰ বাবে ৰাখে
এটুকুৰা ঠাই, নিকা নিৰ্মল হৃদয়ত।
ধমুহা গাজনিৰ মাজতো
দুবাহুৰ মাজত লৈ—
নিজ জীৱন তুচ্ছ কৰি
যিয়ে মোক ৰাখিছে জীয়াই
যাৰ বাবে দেখিছো নীল দিগন্ত
শুনিছো অদ্ৰিৰ সতে কথা পতা
নিজৰাৰ কুলু কুলু ——— মাত।
যাৰ চেষ্টাত পাইছো চুটি ৰঙা ওঠত মাত
যাৰ বাবে পাৰিছো ল'ব
একবিংশ শতিকাৰ সভ্যতাৰ সোৱাদ
যাৰ মৰমে আকৃষ্ট কৰে
তেখেতে মোৰ মানব ৰূপী আৰাধ্য দেবী মা।

# শংকৰ গুৰু

◆ শ্ৰীনয়ন বনিক্য
উঃ মাঃ প্ৰথম বৰ্ষ

কোন কাহানিতে তুমি কৰিলা বৰণ
গুৰু শঙ্কৰ আমাৰ এই অসমত;
কৰিলা জনক এক এই মৰতত ;
গুৰু সেয়েহে ললো আপোনাত শৰণ।

প্ৰচাৰিলা বৈষ্ণৱধৰ্ম ই মৰতত:
গাৱেঁ গাৱেঁ সবাহেত আপোনাৰ ধৰ্ম;
হৰি নাম ধৰি মানুহে কৰিছে কৰ্ম;
একতাৰে আজিৰ এই সংসাৰত।

বোৱালো ভক্তিৰ সোঁত, গঢ়িলা জীৱন;
সকলোকে বিলাইছিলা ধৰ্মৰ জ্ঞান;
ব্যোম ভেদি উঠিছে ধৰ্মৰ শিহৰণ;

মাৰিছা মানুহক ধৰ্মৰ বান;
আপোনাৰ পদধুলি কৰিছো গ্ৰহণ।
উলাহতে গাওঁ আজি আপোনাৰ গান।।।




# সোঁৱৰণী

◆ শ্ৰীককিল নাথ
উঃ মাঃ প্ৰথম বৰ্ষ



জীৱন নদীৰ প্ৰতিটো ক্ষণ
কোনোবাই কৰি থৈ গল
তোমাৰ নিসংগতা
হেৰুৱাই মই
জীৱনৰ প্ৰতিটো পল
তাতে পৰি ৰ'ল।
জীৱন নদীৰ পল
তোমাৰ বাবে বৈ গল।।
এটোপাল ৰক্ত কণিকা
কিয় জানো কমি গল
হৃদয়ৰ তেজ তুকা
বিজানুৰ জাক
মোৰ যে লগৰী হ'ল।
জীৱন নদীৰ প্ৰতিটো পল
এনে দৰে অতিবাহিত হল।।
শেৱালি গছৰ
পুৱা সৰা ফুল
বুটলা মোৰ সপোন
ধুমুহা এজাকে ভাঙি গ'ল
সোঁৱৰণী হৈ ৰ'ল
জীৱন নদীৰ প্ৰতিটো পল।।




# संदान

◆ चम्पावती खाखलारि

नागिरदों जायखौ
जेब्लानिफ्राय गेवजेनदों मेगन,
मोननो खाथियाव
बिलिरनो आथिं,
थुखैनो मुदैनि बानाजों
गाननो नोंनि आथिं हाद्रिनि फोथा
दिनथिनो बुहुमाव
नोंनि साइखं
सिबिसुलाया आंनि बेसे समायना।
नाथाय, समनि फारवनाव गासैबो
जालांबाय बेले-बेजे, एब्रे-एथे,
खालामलांबाय आंखौ जिनाहारि
लोमसावनानै दै-बाना
गोसो गोरबो सुग्लायनाय दै नङा
दुंब्रुद गोसो खामग्लि होनाय
मोदैनि बाना
गुबुन नङा आंनिनो दुखुनि मोदै।
दिनै----

आंदि आरो बुंस' हाया
आंनि जिउ लामायाव
नोंनि गोनांथि दंना गैया,
रहायबाय आं
रैइलांबाय मोदोम देहा
नेनानै नोंखौनो
मुलेले बाथियाबो
गुमुरनोसै बावलिया।
थेवबो---
मिजिं आंनि
जाफुंगोन जोबथा थांखि,
मोनगोन लोगो हुरागासे नोंखौ
फाफिथिया? आंनि बे जिउ
हास्थायनाय बादि नों फैदिया
लांफैदोलो आंनि मोले बाथि
गोजोनगोन आंनि गोरबो दावसि
संदान बेयो आंनि जिउनि। ◆◆



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে যি সকল নিস্বাৰ্থ মহান ব্যক্তিৰ আশা শুধীয়া প্ৰচেষ্টাত আৰ্থসামাজিক ভাৱে পিছপৰা এই অঞ্চলত জ্ঞানৰ জ্যোতি বিলাবলৈ এই বিদ্যামন্দিৰটোৰ জন্ম হৈছিল, সেই সকল জ্ঞাত-অজ্ঞাত ব্যক্তিলৈ, লগতে দেশমাতৃৰ অখণ্ডতা ৰক্ষাৰ হকে জীৱন উচৰ্গা কৰা শত সহস্ৰ মৃত্যুঞ্জয়ী বীৰ শ্বহীদৰ পবিত্ৰ আত্মাৰ চিৰ শান্তি কামনা কৰি অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

১৯৮২ চনত স্থাপিত এই অঞ্চলৰ উল্লেখ যোগ্য একমাত্ৰ উচ্চশিক্ষাৰ অনুষ্ঠান "বিকালী মহাবিদ্যালয়"ৰ সামগ্ৰিক উন্নয়ণত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ অবদান অসীম। বিবাদমান ৰাজনৈতিক বিষয় আৰু সাম্প্ৰদায়িকতাৰ পৰা মুক্ত হৈ এক সুস্থ পৰিবেশৰ মাজত সকলো ছাত্ৰ-ছাত্ৰীৰ শিক্ষা, সামাজিক, নৈতিক, আধ্যাত্মিক, শাৰীৰিক, মানসিক আৰু সাংস্কৃতিক দিশৰ উন্নযণ সাধন কৰাই বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্য। এই মহান লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখিয়েই বিগত বছৰবোৰৰ দৰে এই বেলিও যোৱা ৩১/১০/২০০৩ ইং তাৰিখে ২০০৩-২০০৪ চনৰ শিক্ষাবৰ্ষৰ বাবে ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্ব্বাচন অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, তথা বন্ধু-বান্ধবীয়ে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ তথা দায়িত্বপূৰ্ণ পদত জয়যুক্ত কৰি বিকালী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ হকে সেৱা আগবঢ়োৱাৰ সুবিধাকন প্ৰদান কৰা বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিন্দন তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই খিনিতে মোৰ কাৰ্য্য কালত সম্পন্ন কৰা কেইটি মান কামৰ চমু খতিয়ান দাঙি ধৰিলো।

<u>মহাবিদ্যালয় সপ্তাহঃ-</u>

বিগত বছৰবোৰৰ দৰে এই বেলিও যোৱা ২৪ ডিচেম্বৰ পৰা ২৯ ডিচেম্বৰলৈ আটাইৰে আকাংক্ষিত মহাবিদ্যালয় সপ্তাহ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা মাননীয়া অনন্যা বৰুৱাই পতাকা উত্তোলন কাৰ্য্যসূচীৰে মহাবিদ্যালয় সপ্তাহৰ শুভাৰম্ভ কৰে। ইয়াৰে পিচত শ্বহীদ তৰ্পন কৰে ধূপধৰা হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীযুত চক্ৰধৰ দাসে। মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে ৰংজুলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত গিৰিশ সিংহদেৱে, বৃক্ষৰোপন কৰে বিকালী মৌজা উন্নযণ সমিতিৰ সভাপতি শ্ৰীযুত যোগনাৰায়ন পাঠকদেৱে আৰু চূড়ান্ত খেল ধেমালি উদ্বোধন কৰে ধূপধৰা গাওঁ পঞ্চায়তৰ সভাপতি শ্ৰীযুত মানিক হাজোৱাৰী দেৱে। ইয়াৰ পিচত ধূপধৰা চহৰৰ মাজেৰে প্ৰথম বাৰৰ বাবে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা

হয়। মহাবিদ্যালয় সপ্তাহত বিভিন্ন খেল-ধেমালি, সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতা, সাহিত্য বিষয়ৰ প্ৰতিযোগিতা আদিত যথেষ্ঠ সংখ্যাক প্ৰতিযোগিয়ে অংশগ্ৰহণ কৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়ণৰ উপৰিও অন্যান্য দিশত থকা প্ৰতিভাৰ পৰিচয় দিয়ে। মহাবিদ্যালয় সপ্তাহৰ অন্তিম দিনা ভাৰপ্ৰাপ্ত অধ্যক্ষা মাননীয়া অনন্যা বৰুৱাৰ সভানেতৃত্বত মুকলি অধিবেশন আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। স্থানীয় বিশিষ্ঠ সমাজকৰ্মী মঃ ইছমাইল আলিয়ে উদ্বোধন কৰা এই সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিজ্ঞান গুৰু মাননীয় শ্ৰীযুত কৃষ্ণগোপাল ভট্টাচাৰ্য্য দেবে নিৰ্দ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰাৰ উপৰিও বিকালী মহাবিদ্যালয় শিক্ষক গোটৰ দ্বাৰা প্ৰকাশিত 'প্ৰচেষ্টা' নামৰ ইংৰাজী বুলেটিনৰ প্ৰথম সংখ্যা উন্মোচন কৰে। এই বাৰৰ 'মহাবিদ্যালয় সপ্তাহ' বিগত বছৰবোৰতকৈ আকৰ্ষনীয় হোৱাৰ উপৰিও উপভোগ্য হয়। ঘাইকৈ সাংস্কৃতিক বিভাগৰ বিহুঁ, হুচৰী, ঝুমুৰ, ৰাভা কৃষ্টি, বড়ো কৃষ্টি, গাৰোকৃষ্টি আৰু একাঙ্কিকা নাট সমুহে যথেষ্ট সমাদৰ লাভ কৰে।

**সৰস্বতী পূজাঃ-**

অইন অইন বছৰ দৰে এই বেলিও ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয়ৰ অধ্যাপক/অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগত উলহ মালহেৰে সৰস্বতী পূজা উদযাপন কৰা হয়।

**কাৰ্য্যক্ৰমনিকাৰ চমু বিবৰণঃ-**

মোৰ কাৰ্য্যকালৰ ভিতৰত প্ৰধানকৈ ১৪/১১/০৩ ইং তাৰিখে শিশু দিবসৰ লগত সংগতি ৰাখি ছাত্ৰ একতা সভাৰ কাৰ্য্যলয়ৰ সন্মুখত সদস্য/সদস্যাৰ দ্বাৰা ফুলৰোপণ, ২২/১১/০৩ তাৰিখে ৰেলৱে বিভাগত ১০০ শতাংশ থলুৱা নিবনুৱা নিযুক্তিৰ প্ৰতিবাদত ধূপধৰা আঞ্চলিক ছাত্ৰ সন্থাই পালন কৰা 'অৱস্থান ধৰ্মঘট' কাৰ্য্যসূচীত যোগদান, ২৩/১১/০৩ তাৰিখে মহাবিদ্যালয়ৰ এন.এচ. এচ. গোট আৰু বিকালী মহাবিদ্যালয় শিক্ষক গোটৰ যুটীয়া উদ্যোগত আয়োজিত বিনামুলীয়া চকু চিকিৎসা শিবিৰত অংশগ্ৰহন, ২৮/১১/০৩ তাৰিখে সম্প্ৰতি অসমত চলি থকা হত্যা হিংসাৰ প্ৰতিবাদত ধূপধৰা আঞ্চলিক ছাত্ৰ সন্থা আৰু ধূপধৰা শান্তিকামী ৰাইজৰ উদ্যোগত উলিওৱা শান্তি সমদল যাত্ৰাত ছাত্ৰ একতা সভাৰ সমুহ সদস্য সদস্যাৰ অংশগ্ৰহন, ১০/১২/০৩ তাৰিখে ধূপধৰা আঞ্চলিক ছাত্ৰ সন্থা আৰু ছাত্ৰ একতা সভাৰ উদ্যোগত মাহাবিদ্যালয় প্ৰাঙ্গনত শ্বহীদ দিৱস উদযাপন, ২৪/১২/০৩ তাৰিখে ছাত্ৰ-একতা সভাৰ বিষয়ববীয়া আৰু বিভাগীয় তত্বাবধায়ক/তত্বাবধায়িকাই অনুদান যোগে আগবঢ়োৱা অষ্ট্ৰেলিয়ান পাইন গছ ৰোপন ইত্যাদি কায্যসূচী সম্পাদন কৰা হয়।

**অভাৱ অভিযোগঃ-**

আৰ্থ সামাজিক দিশত পিছপৰা এই অঞ্চলৰ একমাত্ৰ উচচশিক্ষাৰ অনুষ্ঠান বিকালী মহাবিদ্যালয়ৰ অভাৱ অভিযোগ থকাতো স্বাভাবিক। কিন্তু কেতবোৰ অত্যাবশ্যকীয় অভাৱ আজি ২০ বছৰে পুৰণ নোহোৱাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ক্ৰমাগত ভাৱে হ্ৰাস পাই আহিছে। সেয়েহে তৎকালীন ভাবে সমাধান কৰিবলগীয়া কেইটামান অভাৱ অভিযোগৰ বিষয়ে উল্লেখ কৰা হল।

প্ৰথমতে আমাৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ গ্ৰন্থৰ সংখ্যা অতি নগন্য। আনকি গ্ৰন্থগাৰ ভৱনটোৰ অবস্থাও তেনেই শোচনীয়। কিছুদিন পূৰ্বে অধ্যাপক/অধ্যাপিকা সকলে নিজাববীয়াকৈ অনুদান আগবঢ়াই কিছু গ্ৰন্থ ক্ৰয় কৰিছে যদিও সেয়া ছাত্ৰ-ছাত্ৰী অনুপাতে যথেষ্ট কম। আৰ্থিক ভাৱে পিছ পৰা এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকল গ্ৰন্থগাৰৰ গ্ৰন্থৰ ওপৰত বিশেষভাবে নিৰ্ভৰশীল বাবে পৰ্য্যাপ্ত পৰিমানৰ গ্ৰন্থ নথকাত ছাত্ৰ-ছাত্ৰীসকল বিদ্যায়াতনিক দিশত যথেষ্ট সমস্যাৰ সন্মুখীন হবলগীয়া হৈছে।

দ্বিতীয়তে আমাৰ মহাবিদ্যালয়খন এখন সহ:শিক্ষানুষ্ঠান হিচাপে ছাত্ৰ-ছাত্ৰী সকলৰ বাবে শৌচাগাৰ, প্ৰচাৰগাৰ আদি নাই বুলিয়েই কব পাৰি।শোচনীয় অৱস্থাত থকা এনে অত্যাবশ্যকীয় সেৱা সমূহৰ মান দণ্ড উন্নত কৰাৰ বাবে প্ৰতিবছৰে আবেদন দাখিল কৰা হয় যদিও আজি পৰ্য্যন্ত

কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহন নকৰাত বিশেষকৈ ছাত্ৰীসকলে বাৰুকৈয়ে আহুকালৰ সন্মুখীন হবলগীয়াত পৰিছে।

তৃতীয়তে আমাৰ মহাবিদ্যালয়ত যাতায়তৰ সুবিধা নথকা দুৰণিবতীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে ছাত্ৰ-ছাত্ৰী নিবাসৰ ব্যৱস্থা নথকাত শ্ৰেনীসমূহত নিয়মীয়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অতি সীমিত।

চতুৰ্থতে আমাৰ মহাবিদ্যালয়ৰ স্থায়ী অধ্যক্ষৰ সমস্যাটো এটা দীৰ্ঘদিনীয়া সমস্যা। মাত্ৰ কেই বছৰমানৰ বাবেহে স্থায়ী অধ্যক্ষৰ পদ পূৰণ হৈছিল যদিও বৰ্ত্তমানেও এই পদ খালী হৈ থকাত প্ৰশাসনিক দিশত কিছু সমস্যাই দেখা দিয়া পৰিলক্ষিত হৈছে।

পঞ্চমতে আমাৰ মহাবিদ্যালয়ৰ দীৰ্ঘদিনীয়া এটি সমস্যা হল মহাবিদ্যালয় চৌহদৰ আবৰণ। এই সমস্যা মহাবিদ্যালয়ৰ শিক্ষক, কৰ্মচাৰী আৰু এই অঞ্চলৰ ৰাইজৰ দান বৰঙনিৰে আংশিক ভাবে পুৰণ কৰা হৈছে যদিও বৰ্ত্তমানেও অৰ্দ্ধাংশতকৈও অধিক অনাবৃত অবস্থতে আছে। ফলত সময়ে সময়ে গছ-গছনি আদি ৰোপন কৰা হয় যদিও স্থায়ী ৰক্ষনাবেক্ষনৰ ব্যৱস্থা নথকাত মহাবিদ্যালয় চৌহদটো উদং হৈয়ে আছে।

ষষ্ঠতে মহাবিদ্যালয়ত স্থায়ী প্ৰেক্ষাগৃহ এটি নথকা হেতুকে সময়ে সময়ে উৎসৱ-অনুষ্ঠান আৰু সভা সমিতি আদি অনুষ্ঠিত কৰাত বাৰুকৈয়ে অসুবিধাৰ সন্মুখীন হবলগীয়া হয়।

উচ্চ শিক্ষাৰ অনুষ্ঠান বিকালী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে অনুভৱ কৰি অহা দীৰ্ঘদিনীয়া অভাৱ, অভিযোগ সমুহ তৎকালীন ভাবে পুৰণ কৰিবলৈ বিকালী মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি/সম্পাদক আৰু বিকালী মৌজা উন্নযণ সমিতি প্ৰমুখ্যে এই অঞ্চলৰ অনুষ্ঠান প্ৰতিষ্ঠান তথা শুভকাংখী ৰাইজক এই প্ৰতিবেদনৰ জৰিয়তে টানি অনুৰোধ জনোৱা হল।


**<u>কৃতজ্ঞতা স্বীকাৰঃ-</u>**

মহাবিদ্যালয়খন স্থাপন হোৱাৰ পৰা বিকালী বাসী ৰাইজে যি কষ্ট ত্যাগ কৰি আহিছে তাৰ তুলনা কৰিব নোৱাৰি। আনপিনে আৰ্থিক দিশত বিকালী মৌজা উন্নয়ন সমিতি, ধূপধৰা তিনিদলীয়া ৰাইজ আদিয়ে মহাবিদ্যালয়খন স্থাপন হোৱা দিনৰে পৰা আন্তৰিকতাৰে সহায় সহযোগ কৰি আহিছে। সেয়েহে বিকালী মৌজা উন্নয়ন সমিতি, মহাবিদ্যালয় পৰিচালনা সমিতি, বিকালী বাসী সদাশয় ৰাইজলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ বিভিন্ন কামত যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধবীয়ে মোক নানা দিশত সহায় সহযোগিতাৰ হাত আগবঢ়ালে তেখেত সকললৈ মই আন্তৰিকতাৰে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। যিসকল ভাৰপ্ৰাপ্ত অধ্যাপক/অধ্যাপিকা মহাবিদ্যালয়ৰ অধ্যাপক/অধ্যাপিকাই বিভিন্ন দিশত দিহা পৰামৰ্শ আগবঢ়াই কাৰ্য্য পৰিচালনা কৰাত বাট দেখুৱালে তেখেত সকললৈ আৰু মোৰ বিভাগৰ ভাৰপ্ৰাপ্ত তত্বাবধায়ক মহোদয়লৈ মোৰ গভীৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদিছোঁ।


সদৌ শেষত বিভিন্ন দিশত হৈ যোৱা মোৰ অনিচ্ছাকৃত দোষৰ বাবে ক্ষমা বিচাৰি আৰু বিকালী মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতি কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদন ইমানতে সামৰনি মাৰিলোঁ।

*ধন্যবাদ*

*"জয়তু বিকালী মহাবিদ্যালয়"*

*"জয়তু বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা"*


*শ্ৰীমহেন্দ্ৰ ৰাভা*
সাধাৰণ সম্পাদক
বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০০৩-২০০৪ ইং বৰ্ষ।

# সাহিত্য বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভনিতে বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ সম্পাদিকা হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী কৰি এই মহাবিদ্যালয়খনক সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে সমূহ বিকালিয়ানক মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।

সম্পাদিকা পদত অধিষ্ঠিত হৈয়েই নানা সমস্যাৰ জৰ্জৰিত বিভাগটোৰ উন্নয়ণৰ বাবে কিবা কৰাৰ আশা কৰিছিলো। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতিযোগিতামূলক মনোভাৱ বৃদ্ধি কৰা মোৰ এটি লক্ষ্য আছিল। ইয়াৰ বাবে মহাবিদ্যালয় সপ্তাহত "সাহিত্য প্ৰতিযোগিতা" শিতানত বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। কিন্তু ছাত্ৰ-ছাত্ৰীসকলৰ ফালৰ পৰা আশানৰূপ সঁহাৰি নাপাই নিৰাশ হ'বলগীয়া হ'লো। তদুপৰি অন্য মহাবিদ্যালয়ৰ লগত ফেৰ মাৰিব পৰাকৈ বিকালী মহাবিদ্যালয়ে এতিয়াও গতানুগতিকতাৰ পৰা ফালৰি কাটিব পৰা নাই। যিয়ে মহাবিদ্যালয়খনৰ উন্নতিত হেঙাৰস্বৰূপ হৈ পৰিছে। ভৱিষ্যতৰ সম্পাদকসকলোক এই ক্ষেত্ৰত সঠিক পদক্ষেপ লববলৈ অনুৰোধ কৰিলো।

অইন অইন বছৰৰ দৰে এইবেলিও মহাবিদ্যালয় সপ্তাহত এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। "ছাত্ৰ বাৰ্তা" নাম দি প্ৰাচীৰ পত্ৰিকাখনিক কিছু নতুনত্ব প্ৰদান কৰাৰ প্ৰয়াস কৰা হয়।


বিকালী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লিখাৰ প্ৰতি আগ্ৰহ বঢ়োৱাত বিকালিয়ানে যথেষ্ট অৰিহণা যোগায়। তেনেস্থলত দুবছৰৰ মূৰতো আলোচনীখন প্ৰকাশ নোপোৱাত ছাত্ৰ-ছাত্ৰীসকল নিৰাশ হ'বলগীয়া হয়। সেয়ে সম্পাদক হোৱাৰ পিছৰ পৰাই সিদ্ধান্ত লৈছিলো "বিকালিয়ান" খন সময় মতে উলিয়াম বুলি। এই ক্ষেত্ৰত আমি সফলো হৈছো। বিকালিয়ানৰ প্ৰকাশৰ পথত মোক সুচিন্তিত দিহা পৰামৰ্শ আগবঢ়োৱা তত্ত্বৱধায়ক তথা মাননীয় শিক্ষাগুৰু শ্ৰীযুত ভূপতি দাস ছাৰলৈ আন্তৰিক কৃতজ্ঞতা জনাইছো।

শেষত এটা কথা নিলিখি নোৱাৰিলো। কেৱল মাত্ৰ এখন আলোচনীয়ে এখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ চাহিদা পূৰণ কৰিব নোৱাৰে। সেয়ে যদি তিনিমাহৰ মূৰে মূৰে এখনকৈ প্ৰাচীৰ পত্ৰিকা উলিওৱাৰ ব্যৱস্থা কৰে তেনেহ'লে ছাত্ৰ-ছাত্ৰীৰ চিন্তা-চৰ্চাৰ কিছু বিকাশ ঘটিব। পৰৱৰ্ত্তী কালত ইয়াৰ বাবে উচিত পদক্ষেপ লব বুলি আশা কৰিলোঁ।

বিগত বছৰটোৰ কাৰ্যকালত বিভিন্ন দিশত লাভ কৰা সহযোগৰ বাবে ছাত্ৰ-একতা সভাৰ সহকৰ্মীসকলক ধন্যবাদ জনাইছো। লগতে বিভিন্ন অনুষ্ঠান পৰিচালনাত স্বতঃফূৰ্ত সহায়ৰ হাত আগবঢ়োৱা বন্ধু বান্ধৱীসকললৈয়ো প্ৰতিবেদনৰ জৰিয়তে শলাগ ল'লো।

*শ্ৰীমৌচুমী পাটগিৰী।*
সম্পাদিকা,
সাহিত্য আৰু আলোচনী বিভাগ
বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০০৩-২০০৪ ইং বৰ্ষ।

# সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



সংস্কৃতি জাতিৰ দাপোণ স্বৰূপ। সংস্কৃতি মানুহৰ মাৰ্জিত, সুন্দৰ আৰু শুভ অনুভূতিবোৰৰ মনোৰম প্ৰকাশ। সাংস্কৃতিক অনুষ্ঠান বুলি কলে আমি সাধৰণতে গীত মাত, নাচ, অভিনয় আদিকে বুজো। 'মহাবিদ্যালয় সপ্তাহ' বিকালী মহাবিদ্যালয়ৰ এক উল্লেখযোগ্য উৎসৱ। মহাবিদ্যালয সপ্তাহৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশত সুযোগ দিয়া হয়।

মোৰ কাৰ্য্যকালত ২৪-১২-০৩ ইং তাৰিখ অৰ্থাৎ 'মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হোৱাৰ দিনৰে পৰা সাংস্কৃতিক অনুষ্ঠান আৰম্ভ কৰা হয়। ২৪-১২-০৩ ইং তাৰিখ বুধবাৰে দিনৰ ১২-৩০ মান বজাত মহাবিদ্যালয় প্ৰাঙ্গনৰ পৰা বিশেষ আকৰ্যনৰ কেন্দ্ৰ বিন্দু হৈ পৰা "সাংস্কৃতিক শোভাযাত্ৰা" উলিওৱা হয়। সাংস্কৃতিক শোভাযাত্ৰাৰ শুভাৰাম্ভ কৰে মাননীয়া শ্ৰীযুতা গীতা পাটগিৰীয়ে। মহাবিদ্যালয় সপ্তাহত এই বেলি সাংস্কৃতিক শোভাযাত্ৰাৰ উপৰিও বিশেষকৈ দলীয় লোকনৃত্য, আধুনিক নৃত্য, আৰু অসমীয়া আন্তঃক্ষৰী প্ৰতিযোগিতা নতুনকৈ সংযোগ কৰি ছাত্ৰ-ছাত্ৰীৰ মনোৰঞ্জন বঢ়োৱা হয়। তাৰোপৰি এই বেলি ছাত্ৰ-ছাত্ৰীসকলে নখনকৈ নাটক প্ৰদৰ্শন কৰে। মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক প্ৰতিযোগিতা হল দলীয় লোকনৃত্য প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত গাৰো নৃত্যৰ দলটোৱে আকৰ্যনীয় নৃত্য প্ৰদৰ্শন কৰি পুৰস্কাৰ নিজৰ হাতলৈ লৈ যায়।

বিকালী মহাবিদ্যালয়ে ২১ বছৰৰ দেওনা পাৰ কৰি ২২ বছৰত ভৰি দিছে। এই ২১ বছৰত মহাবিদ্যালয়খনে সাংস্কৃতিক দিশত বিশেষ উন্নতি লাভ কৰিব পৰা নাই। ইয়াৰ মূলতে কিছুমান অসুবিধা আৰু অভাৱ নিহিত হৈ আছে। সেইবোৰৰ ভিতৰত বিশেষকৈ বাদ্যযন্ত্ৰৰ অভাৱ, প্ৰেক্ষাগৃহৰ অভাৱ, মঞ্চ কাপোৰৰ অভাৱ আদি। আশা কৰিছোঁ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই অনতি পলমে ছাত্ৰ-ছাত্ৰী সকলোৰ বহুদিনীয়া অভাৱ সমূহ পূৰণ কৰিবলৈ আগবাঢ়ি আহিব।

মোৰ কাৰ্য্যকালত নানা দিহা পৰামৰ্শেৰে সহায় সহযোগ আগবঢ়োৱা বাবে সাংস্কৃতিক বিভাগৰ তত্বাবধায়ক অধ্যাপক এম, গোপাল সিংহক শ্ৰদ্ধাৰে সোঁৱৰিছো। তেওঁৰ লগতে বিকালী মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা মহোদয়া, মহাবিদ্যালয়ৰ সমূহ অধ্যাপক অধ্যাপিকালৈ শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। আৰু কাৰ্য্যালয়ৰ সমূহ কৰ্মচাৰী সকললৈ কৃতজ্ঞতা যাচিলোঁ। শেষত মোক বিভিন্ন দিশত সহায় সহযোগিতা আগবঢ়াই উপকৃত কৰা মোৰ মা, ছাত্ৰ একতা সভাৰ সমূহ সদস্যবৃন্দ, কৃষ্ণ, সৌৰভ, দিগন্ত, ছলেমান, দিপাঙ্কৰ, ছিৰাজ, মৌচুমী, তুলিকা, ৰিংকি, উপকুলদা, হৰেকৃষ্ণ, কাকলি, হেমন্ত, ইমদাদ, শ্বাহানাজ, জেছমিন, বন্তি আদিৰ লগতে অন্যান্য বন্ধু-বান্ধৱী সকলৰ সৈতে ছাত্ৰ-ছাত্ৰী সকললৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌশেষত বিভিন্ন দিশত ৰৈ যোৱা মোৰ অনিচ্ছাকৃত ভুলৰ বাবে পুনৰ ক্ষমা বিচাৰি আৰু বিকালী মহাবিদ্যালয়ৰ সৰ্ব্বাংগীন উন্নতি আৰু উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

*"জয়তু বিকালী মহাবিদ্যালয়"*

*"জয়তু বিকালী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"*

*ধন্যবাদ*

*মিচ্ শ্বেবিনা ইয়াজমিন*

সাংস্কৃতিক সম্পাদিকা,

ছাত্ৰ একতা সভা, বিকালী মহাবিদ্যালয

২০০৩-০৪ ইং বৰ্ষ।

# গুৰু ক্ৰীড়া বিভাগৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে বিকালী মহাবিদ্যালয়ৰ ২০০৩-২০০৪ ইং চনৰ গুৰুক্ৰীড়া বিভাগৰ পদলৈ যিসকল শুভাকাঙ্খীয়ে মোক মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ সুযোগ দিলে তেখেত সকলোলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো আৰু মহাবিদ্যালয়ৰ সমূহ অধ্যাপক অধ্যাপিকা তথা ভাৰপ্ৰাপ্ত অধ্যক্ষা মহোদয়লৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

সাম্প্ৰতিক কালত খেলৰ প্ৰয়োজনীয়তা মানৱ জীৱনৰ এক গুৰুত্বপূৰ্ণ অংগ হৈ পৰিছে। সেয়েহে ছাত্ৰ-ছাত্ৰী সকলে পঢ়াৰ লগে লগে খেলাৰ প্ৰতিও মনোনিবেশ কৰিব লাগে। এই ক্ষেত্ৰত সংশ্লিষ্ট সকলো প্ৰয়োজনীয় সা-সুবিধা প্ৰদান কৰাৰ লগতে খেলাৰ পৰিবেশ সৃষ্টি কৰা নিতান্ত প্ৰয়োজন। মই কাৰ্য্যভাৰ গ্ৰহন কৰাৰ পিছতে মোৰ প্ৰথম অনুষ্ঠান হিচাপে "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হয়। সকলো সম্পাদকে নিজৰ কাৰ্য্যকালৰ আগৰ জনতকৈ কিছু উন্নত ধৰণৰ সেৱা আগবঢ়াবলৈ চেষ্টা কৰে, মইও তাৰ ব্যতিক্ৰম নহয়। মহাবিদ্যালয় সপ্তাহৰ সময়ত ছাত্ৰ-ছাত্ৰী, খেলুৱৈ সকলোৰ মাজত অুশীলনৰ অভ্যাস কম হোৱা চকুত পৰিছিল আৰু কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে মহাবিদ্যালয়লৈ আহিছিল। উপযুক্ত খেলপথাৰ থকা সত্বেও ক্ৰীড়া সামগ্ৰীৰ অভাব, খেলুৱৈৰ অভাৱ বাৰুকৈয়ে অনুভব কৰিছিলো। এইখিনিতে মোৰ অনুৰোধ যাতে সকলো বন্ধু-বান্ধবীয়ে, ছাত্ৰ-ছাত্ৰীয়ে যি কোনো খেলত অংশ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ এক সুনাম অৰ্জন কৰিবলৈ চেষ্টা কৰে আৰু মহাবিদ্যালয়ত এক নতুন পৰিবেশ গঢ়ি তুলিব বুলি আশা কৰিলোঁ।

এই খিনিতে মোৰ দায়িত্বত থকা সময়চোৱাত নানা দিহা পৰামৰ্শৰে সহায় সহযোগিতা আগবঢ়োৱা মাননীয় আব্দুল হক চাৰক শ্ৰদ্ধাৰে সোঁৱৰিছোঁ। লগতে বিভিন্ন কাম-কাজত সহায় আগবঢ়োৱা মোৰ বন্ধু সুকুমাৰ, দ্বীপ, বিদ্যাধৰ, লক্ষ্যধৰ, সুৰজিৎ, পিংকু আৰু উপকুলদা, সৌৰভদা, নিপুনদা আদিলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ। ছোৱালীৰ বিভিন্ন খেলসমূহত সহায় কৰাৰ উপৰিও আন সকলো কামতে সহায় কৰা বাইদেউ মিনাক্ষী, মিনু, স্বপ্না, প্ৰীতি, ডলী, ঝৰ্না, মিনাক্ষী আৰু মিনালৈ মোৰ আন্তৰিক ধন্যবাদ যাচিছোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালত অজানিতে কৰি অহা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি আৰু বিকালী মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন পাঠ ইমানতে সামৰিছোঁ।

*ধন্যবাদ*

*"জয়তু বিকালী মহাবিদ্যালয়"*

*শ্ৰীগনৰাজ ৰাভা*

**সম্পাদক, গুৰু খেলবিভাগ**

বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা

২০০৩-২০০৪ ইং বৰ্ষ।

# লঘু ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ বুলনিতে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ সেই সকল ব্যক্তিক যি সকল শুভাকাঙ্খী ব্যক্তিয়ে এই মহাবিদ্যালয়ৰ উন্নতিৰ ক্ষেত্ৰত বিভিন্ন ধৰণে দিহা পৰামৰ্শ আৰু সহায়ৰ হাত আগবঢ়াই আহিছে। দ্বিতীয়তে ২০০৩-০৪ ইং শিক্ষা বৰ্ষৰ বাবে বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ লঘুক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে নিৰ্ব্বাচিত কৰি মহান শিক্ষা অনুষ্ঠানটোলৈ সেৱা আগবঢ়াবৰ বাবে সুযোগকণ দিয়া মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধক্ষ্যা আৰু পূজনীয় শিক্ষা গুৰু সকলৰ লগতে ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰকৃতজ্ঞতা প্ৰকাশ কৰিছোঁ।

আন আন বছৰৰ দৰে এই বেলিও মহাবিদ্যালয়ে বৰ উলহ-মালহেৰে মহাবিদ্যালয় সপ্তাহ উদযাপন কৰিছে। যদিও মহাবিদ্যালয়খন আৰ্থিক দিশত টনকিয়াল নহয় তথাপি বছৰটোৰ মহাবিদ্যালয় সপ্তাহটো অইন বছৰতকৈ এইবেলি যথেষ্ঠ উন্নত মানদণ্ডৰ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। শিক্ষা অনুষ্ঠানটোৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে নিজ নিজ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত পাৰদৰ্শিতা আৰু বুদ্ধিমত্বাৰ উচিত পৰিচয় দাঙি ধৰিছে।

মোৰ কাৰ্য্যকালত লঘুক্ৰীড়া বিভাগৰ ফালৰ পৰা যথেষ্ঠ কৰিবলগীয়া থকা সত্বেও খেলৰ সামগ্ৰী ছাত্ৰ-ছাত্ৰী সকলক সময়ত যোগান ধৰিব নোৱাৰাত আশানুৰূপ ভাৱে সফলতা লাভ কৰিব নোৱাৰিলো। তদুপৰি ছাত্ৰ-ছাত্ৰী সকলক আগতিয়া অনুশীলনীৰ সুবিধা দিব পৰা নগল। আশা ৰাখিছো ভৱিষ্যতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে এই আহুকালৰ পৰা পৰিত্ৰান পায় যেন। খেল সমূহৰ ভিতৰত লৰাৰ ভলীবল আৰু লৰা/ছোৱালীৰ বেডমিন্টন (Single, Double, Mix double) আদি প্ৰতিযোগিতাবোৰ পতা হয়। ল'ৰাৰ ভলীবল প্ৰতিযোগিতা খনত অংশ গ্ৰহন কৰা প্ৰতিযোগীৰ সংখ্যা তেনেই তাকৰীয়া হোৱাৰ ফলত খেলৰ প্ৰদৰ্শন অতি নিম্নখাপৰ হোৱা যেন পৰিলক্ষিত হৈছে। আশাকৰো ভৱিষ্যতে খেলৰ বাবে বহু সংখ্যক আগ্ৰহী ছাত্ৰই নিজ নিজ পাৰদৰ্শিতা দেখুৱাবলৈ সমৰ্থ হব আৰু আন্তঃ

মহাবিদ্যালয় খেল সমূহৰ প্ৰতিযোগিতাত কৃতিত্ব অৰ্জন কৰিব পাৰিব।

মই প্ৰত্যক্ষ কৰিছো যে মহাবিদ্যালয়ৰ সপ্তাহ প্ৰতিযোগিতাত বেডমিন্টন খেলৰ প্ৰতিযোগীৰ সংখ্যা যথেষ্ট। কিন্তু সময়ত উপস্থিত হবলৈ বহুতে অনীহা প্ৰকাশ কৰে। ফলত প্ৰকৃত প্ৰতিযোগীৰ সংখ্যা তাকৰ হৈ পৰে। গতিকে এই প্ৰতিবেদনৰ যোগেদি পৰৱৰ্তী ছাত্ৰ-ছাত্ৰী সকলক অনুৰোধ জনাও যে সৰহ সংখ্যক প্ৰতিযোগীৰ সক্ৰিয় অংশগ্ৰহনেৰে মহাবিদ্যালয় সপ্তাহ সফল কৰি তোলে যেন।

এখন শিক্ষা অনুষ্ঠানৰ খেল-ধেমালিৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ শাৰিৰীক, মানসিক আৰু বৌদ্ধিক বিকাশ হোৱাৰ লগতে ই শিক্ষা আহৰণত গুৰুত্বপূৰ্ণ অৰিহণা যোগায়। সেয়ে আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে অনুৰোধ জনালোঁ যাতে খেলা-ধূলাৰ প্ৰতি বিশেষ মনোযোগী আৰু আগ্ৰহী হয়।

কাৰ্য্য পৰিচালনা কৰাত মোক বিভিন্ন ধৰনে সহায় সহযোগ তথা দিহা পৰামৰ্শ দি উপকৃত কৰা লঘুক্ৰীড়া বিভাগৰ তত্বাবধায়ক বুৰঞ্জী বিভাগৰ অধ্যাপক শ্ৰদ্ধাৰ মাননীয় শ্ৰীযুত ৰমেন সিং ৰাভা চাৰ দেৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। লগতে বিশেষ ভাবে সহায় কৰা বন্ধু-বান্ধৱী ক্ৰমে বিপুল ৰাভা, নয়ন বনিক্য, কনক পাঠক, হীৰক বসুমতাৰী, দীপাঙ্কৰ বৈশ্য, ককীল নাথ, লোহিত সূত্ৰধৰ, হিমাংশু দাস, প্ৰেমা সূত্ৰধৰ, ধ্ৰুৱজ্যেতি অধিকাৰী, ঘনশঙ্কৰ খাখোলাৰীৰ লগতে বহুতো বন্ধু-বান্ধৱী আৰু ছাত্ৰ একতা সভাৰ সাধাৰন সম্পাদক তথা সমূহ সদস্য/সদস্যালৈ মোৰ আন্তৰিক অভিনন্দন জনাইছোঁ।

সদৌ শেষত এই অভাজনে, কৰ্তব্য পালন কৰোঁতে হোৱা জ্ঞাত-অজ্ঞাত ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰি মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিছো।

*"জয়তু বিকালী মহাবিদ্যালয়"*

*"জয়তু বিকালী মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভা"*

*"জয় আই অসম"*

*ধন্যবাদেৰে*

*শ্ৰীজিতুমনি চৌধুৰী*

সম্পাদক, লঘুক্ৰীড়া বিভাগ

বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা

ইং ২০০৩-২০০৪ বৰ্ষ।

# ছাত্ৰ জিৰনি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে যি সকল ব্যক্তিয়ে অশেষ ত্যাগ, সাহস আৰু কষ্টেৰে বিকালীৰ দৰে পিছপৰা অঞ্চলত বিকালী মহাবিদ্যালয়ৰ দৰে এখন মহান অনুষ্ঠানক বিকশাই তুলিলে তেওঁলোকলৈ মোৰ শত সহস্ৰ প্ৰনাম জনালোঁ। দ্বিতীয়তে ২০০৩-২০০৪ ইং শিক্ষাবৰ্ষৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ গুৰু দায়িত্বৰ বাবে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচন কৰা সমূহ বিকালী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ মোৰ হিয়াভৰা চেনেহ যাছিলোঁ।

ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক আৰু মানসিক বিকাশৰ বাবে জিৰণিৰ প্ৰয়োজন উলাই কৰিব নোৱাৰি। সেয়েহে বিদ্যালয় অথবা মহাবিদ্যালয় এখনত ছাত্ৰীৰ দৰে ছাত্ৰ সকলৰ এটি সুব্যৱস্থা পূৰ্ণ আবাসৰ প্ৰয়োজন। বিকালী মহাবিদ্যালয়ত এটি ছাত্ৰ জিৰণি কোঠা আছে যদিও এইটো বিভিন্ন অভাবেৰে পৰিপূৰ্ণ।

“মানুহৰ অভাৱ অন্তহীন” কিন্তু ছাত্ৰ সকলৰ অধ্যয়নৰ নিত্য লাগতিয়াল সামগ্ৰীসমূহৰ লগতে অৱসৰ বিনোদৰ খেলা ধূলাৰ আৱশ্যকীয় সামগ্ৰী সমূহ নিয়মিত যোগান ধৰি ছাত্ৰ সকলে উজ্জ্বল ভৱিষ্যতক বাস্তবায়িত কৰাত সহায় কৰিবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষক এই প্ৰতিবেদনৰ জৰিয়তে বিনম্ৰ অনুৰোধ জনালোঁ।

মহাবিদ্যালয়খনৰ ছাত্ৰ ছাত্ৰীৰ প্ৰতিভা বিকাশৰ একমাত্ৰ তথা সৰ্ব্ববৃহৎ অনুষ্ঠান “মহাবিদ্যালয় সপ্তাহ” এইবেলি ইংৰাজী ২৪ ডিচেম্বৰৰ পৰা ২৯ ডিচেম্বৰ ২০০৩ ইং চনত অইন বছৰত কৈ কিছু উন্নত মানেৰে অনুষ্ঠিত হৈ যায়। এই বাৰ ছাত্ৰ জিৰণি কোঠাৰ তৰফৰ পৰা কেৰম, পাঞ্জা, আৰু দাবা খেল অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ সময়ছোৱাত এটি অতি পৰিতাপৰ বিষয় এইযে প্ৰায় ভাগ ছাত্ৰই প্ৰতিযোগিতা সমূহত কেৱল নাম দাখিল কৰিয়ে ক্ষান্ত থাকে । যাৰ ফলত প্ৰতিযোগিতা সমূহ সুচাৰুৰূপে চলাই নিয়াত অসুবিধা হয়। ভৱিষ্যতে যাতে প্ৰতিযোগী সকলে এই বিষয়ত সতৰ্ক থাকে তাৰ বাবে মই অনুৰোধ জনালোঁ।

পৰম্পৰাগত ভাবে চলি অহা ছাত্ৰ জিৰণি কোঠাৰ অধীনৰ প্ৰতিযোগিতা সমূহ এই বেলি তত্বাৱধায়ক হিচাপে পৰিচালনা কৰে ইংৰাজী বিভাগৰ প্ৰৱক্তা মাননীয় শ্ৰীযুত প্ৰশান্ত পাঠক মহাশয়ে। তেখেতৰ নিষ্ঠাপূৰ্ণ সহায়ৰ বাবে এই ছেগতে তেখেতলৈ মোৰ আন্তৰিক কৃতজ্ঞতা নিবেদন কৰিলোঁ।

ছাত্ৰ জিৰনি কোঠাৰ সম্পাদক হিচাপে মই মোৰ বিগত এবছৰীয়া কাৰ্যকালত মহাবিদ্যালয়খনৰ প্ৰতি কেনেদৰে সেৱা আগবঢ়ালো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। মোৰ ফালৰ পৰা মই অকণো চেষ্টাৰ ত্ৰুটি কৰা নাই।

মোৰ কাৰ্য্যকালছোৱাত বিভিন্ন দিহা পৰামৰ্শৰে সহায় কৰা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া, পূজনীয় দাদা বাইদেউ, বন্ধু-বান্ধৱী তথা মোৰ চিৰপুজনীয় শিক্ষা গুৰু সকলোলৈও কৃতজ্ঞতা তথা শ্ৰদ্ধা জনালোঁ। আৰু মোৰ কাৰ্য্যকালত জ্ঞাতে অজ্ঞাতে কৰা ভুলৰ বাবে মহাবিদ্যালয়ৰ আটাইৰে ওচৰত ক্ষমাভিক্ষা মাগি মোৰ প্ৰতিবেদনৰ ইমানতে সামৰনি মাৰিলোঁ।

*“জয়তু বিকালী মহাবিদ্যালয়”*
*“জয়তু বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা”*

*শ্ৰীললিত দাস*
সম্পাদক, ছাত্ৰ জিৰনি কোঠা
২০০৩-২০০৪ ইং বৰ্ষ।

# ছাত্ৰী জিৰনি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভনিতে যিসকল শিক্ষাপ্ৰেমী লোকৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলশ্ৰুতিত এই বিদ্যা মন্দিৰখন প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হল তেওঁলোকলৈ মোৰ ভক্তিভৰা সেৱা নিবেদিছোঁ। দ্বিতীয়তে, ছাত্ৰী জিৰনি কোঠাৰ সম্পাদিকা হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰি বিকালী মহাবিদ্যালয়ক সেৱা কৰাৰ সুযোগকন দিয়া বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এই কাৰ্য্যকাল ছোৱাত মই মোৰ কৰ্ত্তব্য পালনত কিমানদূৰ অগ্ৰসৰ হব পাৰিছোঁ সেইয়া বিচাৰ কৰাৰ ভাৰ ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক অধ্যাপিকাৰ হাততেই এৰি দিছোঁ।

মানৱ জীৱন কৰ্মৰে পৰিপূৰ্ণ । কৰ্মব্যস্ততাই শাৰীৰিক তথা মানসিক অৱসাদৰ সৃষ্টি কৰে। এই অৱসাদ অৱসানৰ বাবে জিৰণিৰ প্ৰয়োজন অনস্বীকাৰ্য। শ্ৰেণীৰ এটা পাঠ গ্ৰহণৰ পাছত আনটো পাঠ  গ্ৰহণৰ বাবে মানসিকভাবে নিজকে প্ৰস্তুত কৰি লোৱাত ক্ষন্তেকৰ জিৰণিয়ে যথেষ্টভাবে প্ৰভাৱ বিস্তাৰ কৰে। সেয়ে আজৰি সময়খিনি কটাই দিবৰ বাবে এটি উৎকৃষ্ট জিৰণি কোঠাৰ আৱশ্যক। কিন্তু অতি পৰিতাপৰ বিষয় যে আমাৰ মহাবিদ্যালয়ত ছাত্ৰী জিৰণি কোঠা নাই বুলিয়েই কব পাৰি। এই অভাৱ-অনুভৱ কৰাৰ পিচতো পূৰণ কৰাত মোৰ কৰ্য্যকালত সম্ভৱপৰ নোহোৱাৰ বাবে মই দুঃখিত আৰু লজ্জিত। আশা কৰিছোঁ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই অনতিপলমে ছাত্ৰীসকলৰ এই বহুদিনীয়া আভাৱটো পূৰণ কৰিবলৈ অগ্ৰগামী হব।

ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক তথা মানসিক বিকাশত পূৰ্নোদমে সহায় কৰা এখন মঞ্চ হল "মহাবিদ্যালয় সপ্তাহ"। অইন অইন বছৰৰদৰে এইবছৰো "মহাবিদ্যালয় সপ্তাহ" উলহ মালহেৰে পালন কৰা হয়। উক্ত অনুষ্ঠানৰ জৰিয়তে প্ৰতিগৰাকী ছাত্ৰীৰ প্ৰতিভা বিকাশ আৰু স্বীকৃতিৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰী জিৰণি কোঠাৰ ফালৰপৰাও বহুকেইটা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। সকলো ক্ষেত্ৰতে ছাত্ৰীসকলৰ লগতে ছাত্ৰসকলৰ উৎসাহপূৰ্ণ সহাঁৰিয়ে অনুষ্ঠান সমূহ সফল কৰাত সহায় কৰিছিল। ভৱিষ্যতে ছাত্ৰ-ছাত্ৰীসকলৰ এনেধৰনৰ উৎসাহ কামনা কৰা হল।

মোৰ কাৰ্য্যকালৰ বিভিন্ন সময়ত প্ৰতিটো দিশত সহায় তথা পৰামৰ্শ আগবঢ়োৱা বাবে বিভাগীয় তত্বাৱধায়িকা মাননীয়া অধ্যাপিকা শ্ৰীযুতা আল্পনা সৰকাৰ বাইদেউৰ ওচৰত মই চিৰকৃতজ্ঞ। লগতে মহাবিদ্যালয়ৰ আন আন প্ৰবক্তাসকললৈও মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ। তদুপৰি মহাবিদ্যালয় সপ্তাহৰ প্ৰতিটো দিনৰ প্ৰতিটো কামত মোক বিশেষভাৱে সহায়ৰ হাত আগবঢ়োৱা বন্ধু-বান্ধৱী ছলেমান, দিগন্ত, সৌৰভ, ফৰেজুল, ইমদাদ, মৌচুমী, ৰুনা, মিনাক্ষী, কৰিশ্মা, হেমন্ত, ৰাজা(দিপাংঙ্কৰ) ছিৰাজ আৰু হৰেকৃষ্ণৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীলৈ  ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌশেষত বিগত দিনবোৰত জ্ঞাতে অজ্ঞাতে  হৈ যোৱা দোষ ত্ৰুটিবোৰৰবাবে ক্ষমা ভিক্ষা মাগিছোঁ আৰুমহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতিৰবাবে অদৃষ্টজনলৈ প্ৰাৰ্থনা জনাই মোৰ সম্পাদকীয় প্ৰতিবেদন ইমানতে সামৰনি মাৰিলোঁ।

*"জয়তু বিকালী মহাবিদ্যালয়"*

*শ্ৰীমিলি দেৱী*
সম্পাদিকা,
ছাত্ৰী জিৰনি কোঠা
২০০৩-২০০৪ ইং বৰ্ষ।

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভনিতে অসমী আইৰ স্বাৰ্থ তথা অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণাহুতি দিয়া জ্ঞান অজ্ঞাত বীৰ শ্বহীদ সকললৈ মোৰ সহস্ৰ প্ৰণাম আৰু শ্ৰদ্ধা নিবেদিছো। যি সকল বন্ধু বান্ধৱীয়ে মোক সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে মনোনীত কৰি এনেহেন এক মহান অনুষ্ঠানৰ সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিলে তেওঁলোকলৈও মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ কাৰ্য্যকালত বহুমূলীয়া দিহা পৰামৰ্শ তথা সহায় সহযোগিতা আকুণ্ঠভাৱে আগবঢ়াই অহা শিক্ষাগুৰু মাননীয় শ্ৰীযুত আব্দুল বাহিদ দেৱক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মোৰ কাৰ্য্য পৰিচালত সততে সহায় কৰি থকা বন্ধু-বান্ধৱী শ্ৰীনয়ন, উমা, চিৰাজ, লোহিত, জিতু, গন, মহৎ, শুদ্ধোধন, লীনা, মৌচুমী, মিলি, ৰুনা এই সকললৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ অনিচ্ছাকৃত ভুল ত্ৰুটিৰ মাৰ্জনা বিচাৰিছো আৰু বিকালী মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি আৰু লগতে আটাইকে শুভেচ্ছা যাচি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

*"জয়তু বিকালী মহাবিদ্যালয়"*

*শ্ৰীদিব্যজ্যোতি অধিকাৰী।*
সমাজ সেৱা বিভগৰ সম্পাদক
২০০৩-২০০৪ ইং বৰ্ষ।

# বিকালীৰ গৌৰৱ



আচিকুৰ হিলালীয়ে ২০০২ চনৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত অৰ্থনীতি বিজ্ঞানত লেটাৰ নম্বৰসহ প্ৰথম শ্ৰেণীত উত্তীৰ্ণহৈ মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিছে।



২০০২ চনৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত ৰাজনীতি বিজ্ঞানত লেটাৰ নম্বৰসহ প্ৰথম শ্ৰেণীত উত্তীৰ্ণহৈ শ্ৰীঅপূৰ্ব কলিতাই মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিছে।

সাপ্তাহিক মঙ্গলবাতৰিৰ (মঙ্গলদৈ) ৰূপালী জয়ন্তী উপলক্ষে সদৌ অসম ভিত্তিত আয়োজন কৰা স্বৰচিত কবিতা প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰি শ্ৰীজিমনী ৰয়ে মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিছে।



বিকালী মহাবিদ্যালয়ৰ এজনী কৃতিছাত্ৰী শ্ৰীমৌচুমী পাটগিৰী। মৌচুমীয়ে ২০০৩ চনৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰিীক্ষাত শিক্ষা আৰু ভূগোল বিজ্ঞান বিষয়ত লেটাৰ নম্বৰ লাভ কৰি সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। ইয়াৰ উপৰি খাদী আৰু গ্ৰামদ্যগ আয়োগে অনুষ্ঠিত কৰা গোৱালপাৰা জিলা ভিত্তিক ৰচনা প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে।

২০০২ চনৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই অনা আনএজন কৃতি ছাত্ৰ হ'ল শ্ৰীকৰ্ম্মেশ্বৰ বিশ্বাস। শ্ৰীবিশ্বাসে ৰাজনীতি বিজ্ঞানত লেটাৰ নম্বৰ সহ সুখ্যাতিৰে প্ৰথম বিভাগ লাভ কৰিছে।



শ্ৰীমায়দাংশ্ৰী পাটগিৰীয়ে২০০৩ চনৰ গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত যুৱ মহোৎসৱত পৰম্পৰাগত জনজাতীয় সংগীত প্ৰতিযোগিতাত পুৰস্কৃতহৈ সুনাম কঢ়িয়াই আনিছে।



২০০৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত যুৱ মহোৎসৱত বিকালী মহাবিদ্যালয়ৰ শ্ৰীসম্ৰাত ৰাভাই কলাজ প্ৰতিযোগিতাত তৃতীয় স্থান লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে।



মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ অভিনেতা শ্ৰীইন্দ্ৰ ৰয়।




শ্ৰীৰিংকুমনি দাসে মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ গায়িকাৰ সন্মালাভ কৰিছে।

# মহাবিদ্যালয় সপ্তাহৰ কেইটিমান মধূৰতম মুহূৰ্ত্ত




শিক্ষক গোটে প্ৰকাশ কৰি উলিওৱা "প্ৰচেষ্টা" নামৰ বুলেটিন খন উন্মোচন কৰিছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিজ্ঞান গুৰু ডঃ কৃষ্ণ গোপাল ভট্টাচাৰ্য্যদেৱে



মহাবিদ্যালয় সপ্তাহ উপলক্ষে উলিওৱা সাংস্কৃতিক শোভাযাত্ৰাৰ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা শ্ৰীমতী অনন্যা বৰুৱা আৰু অসমীয়া বিভাগৰ প্ৰৱক্তা ডঃ মলিনা দেৱী ৰাভাৰ সহযোগত স্থানীয় সমাজ সেৱিকা শ্ৰীমতী গীতা পাটগিৰীয়ে শুভাৰম্ভনি কৰিছে।



মহাবিদ্যালয় সপ্তাহৰ বিশেষ আকৰ্ষণ গাৰো ওৱালেং নৃত্য



শিক্ষাবিভাগে প্ৰকাশ কৰি উলিৱা "শিক্ষাজ্যোতি" উন্মোচনৰ মুহূৰ্ত্তত ডঃ কৃষ্ণ গোপাল ভট্টাচাৰ্য্য

## গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত যুৱ মহোৎসৱৰ সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণকাৰী বিকালী মহাবিদ্যালয়ৰ প্ৰতিনিধি দলটো





# মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্রীৰ একাংশ



**প্ৰথম শাৰী বাওঁফালৰ পৰা ঃ-** ভূপতি দাস, গোলাম হজৰত আলী আহমেদ, ডঃ এম, গোপাল সিংহ, অনন্যা বৰুৱা, আল্পনা সৰকাৰ, মীনা শৰ্মা, বিভূতি কলিতা, আব্দুল হক আহমেদ।

**দ্বিতীয় শাৰী বাওঁফালৰ পৰা ঃ-** চৈয়দ আলী আহমেদ, প্ৰশান্ত পাঠক, আব্দুল ওৱাহিদ, প্ৰশান্ত চক্ৰৱৰ্ত্তী, গিৰীন্দ্ৰ ঠাকুৰীয়া, স্বৰ্ণ লতা দেৱী, অৰলা ভূএগ্ৰা, ৰমেশ চন্দ্ৰ দাস, মনালিছা ৰায়চৌধুৰী, দীনবন্ধু কলিতা, ৰাজলক্ষ্মী হাজৰিকা, স্বৰ্ণ লতা দাস।

**ফটোত অনুপস্থিত ঃ-** ডঃ মলিনা দেৱী ৰাভা, ৰমেন সিং ৰাভা,কবিৰ হুছেইন,চম্পাৱতি খাখলাৰী, মাইনাশ্ৰী বসুমতাৰী, দীপিকা ৰাভা, হৰিশ কলিতা, বন্তি বৰদলৈ, উত্তম সাহা, জেউতি তালুকদাৰ, ৰেণুকা ভট্টাচাৰ্য্য, প্ৰনিতা মহন্ত, জয়নুদ্দিন ইছলাম

# আলোক চিত্ৰত "বিকালিয়ান"ৰ সম্পাদনা সমিতি



বাওঁফালৰ পৰাঃ- মৌচুমী পাটগিৰী, ভূপতি দাস, মনালিছা ৰায়চৌধুৰী, অনন্যা বৰুৱা, আল্পনা সৰকাৰ ডঃ এম, গোপাল সিংহ
ফটোত অনুপস্থিত ঃ- শ্ৰীমতী চম্পাৱতী খাখলাৰী, মহেন্দ্ৰ ৰাভা।

## ছাত্ৰ একতা সভাৰ সদস্য-সদস্যা বৃন্দ



বহি বাওঁ ফালৰ পৰাঃ- শ্বেৰিনা ইয়াজমিন, মৌচুমী পাটগিৰী, মিলি দেৱী, মহেন্দ্ৰ ৰাভা
ঠিয় হৈ বাওঁফালৰ পৰা ঃ- দিব্যজ্যোতি অধিকাৰী, গনৰাজ ৰাভা, নিতুমনি চৌধুৰী, জিতুমনি চৌধুৰী। ফটোত অনুপস্থিত ললিত দাস

## মহাবিদ্যালয় কৰ্ম্মচাৰী গোটৰ একাংশ




বহি ঃ- সুনিল ৰাভা, গুলজাৰ আলী, বীৰেশ ৰাভা
ঠিয়হৈ ঃ- জলিলুৰ ৰহমান, গজেন সূত্ৰধৰ
অনুপস্থিত ঃ- প্ৰদীপ দাস, প্ৰদীপ হাজোৱাৰী, গনেশ ৰাভা, চন্দকান্ত কলিতা, পদ্মিনী দাস, লক্ষেশ্বৰ বড়ো।

# বিকালী মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন বিভাগৰ উদ্যোগত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাৰ ফলাফল সমূহ (২০০৩-২০০৪ ইং শিক্ষা বৰ্ষ)

**ল'ৰাঃ-**

**১। স্বটফুটঃ-**

১ম শ্ৰীভবেশ দৈমাৰী(৯.৭০মি.) উঃমাঃ ২য় বৰ্ষ।
২য় ডাক্তৰ কছাৰী (৯.৬৫মি.), স্নাতক ৩য় বৰ্ষ।

**২। ডিচকাচ থ্ৰঃ-**

১ম শ্ৰীবিদ্যাধৰ ৰাভা (২৪.৫০মি.), উঃমাঃ২য় বৰ্ষ।
২য় শ্ৰীদিগন্ত দাস (২৩.৬০মি.), স্নাতক ১ম বৰ্ষ।

**৩। জেফলিন থ্ৰঃ-**

১ম শ্ৰীৰাহুল হাজোৰাৰী (৫৬মি.), উঃমাঃ ১ ম বৰ্ষ।
২য় শ্ৰীপ্ৰহ্লাদ হাজোৰাৰী (৫৪.৫১মি.), উঃমাঃ ১ ম বৰ্ষ।

**৪।১০০ মিটাৰ দৌৰঃ-**

১ম শ্ৰীসঞ্জীৱ বসুমতাৰী, স্নাতক ২ য় বৰ্ষ।
২য় শ্ৰীগোড়েশ্বৰ বড়ো, স্নাতক ২য় বৰ্ষ।

**৫। ২০০ মিটাৰ দৌৰ**

১ম শ্ৰীদিগন্ত দাস, স্নাতক ১ম বৰ্ষ।
২য় শ্ৰীশুদ্ধোধন দৈমাৰী, উঃমাঃ ১ ম বৰ্ষ।

**৬। ৪০০ মিটাৰ দৌৰ**

১ম শ্ৰীমংগল সিং বসুমতাৰী, উঃমাঃ ১ম বৰ্ষ।
২য় শ্ৰীভবেশ ৰাভা, উঃমাঃ ২য় বৰ্ষ।

**৭। ৮০০ মিটাৰ দৌৰ**

১ম শ্ৰীমংগল সিং বসুমতাৰী, উঃমাঃ ১ম বৰ্ষ।
২য় শ্ৰীভবেশ ৰাভা, উঃমাঃ ২য় বৰ্ষ।

**৮। Long jump:-**

১ম শ্ৰীঅনিল দৈমাৰী (১৭.৯মি.) উঃমাঃ ১ম বৰ্ষ।
২য় শ্ৰীসোনটি দাস (১৭.২মি.) স্নাতক ৩য় বৰ্ষ।

**৯। High jump:-**

১ম শ্ৰীসোনটি দাস, (৫.৫) স্নাতক ৩য় বৰ্ষ।
২য় শ্ৰীদেৱ কুমাৰ বসুমতাৰী (৫.৪) উঃ মাঃ ২য় বৰ্ষ।

**১০। Pol jump:-**

১ম শ্ৰীসোনটি দাস, স্নাতক ৩য় বৰ্ষ।
২য় শ্ৰীঅপূৰ্ব কলিতা, স্নাতক ২য় বৰ্ষ।

**১১। ৰেলিৰেচ-**

১ম শ্ৰীগোড়েশ্বৰ বড়োৰ দল—
শ্ৰীগোড়েশ্বৰ বড়ো, স্নাতক ২য় বৰ্ষ।
শ্ৰীসঞ্জীৱ বসুমতাৰী, স্নাতক ২য় বৰ্ষ।
আবুছফি ইমদাদ হুছেইন, উঃমাঃ ২য় বৰ্ষ।
শ্ৰীদীবেন্দু পোদ্দাৰ, উঃমাঃ ২য় বৰ্ষ।

২য়— শ্ৰীবাবুল পাটগিৰীৰ দল।
শ্ৰীবাবুল পাটগিৰী,
শ্ৰীমংগল সিং বসুমতাৰী,
শ্ৰীদিবাকৰ বসুমতাৰী,
শ্ৰীভবেশ ৰাভা।

**১২। ছোৱালীৰ স্বটফুটঃ-**

১ম মিচ্ কাকুমনি ৰাভা (৬০মি.), উঃমাঃ ২য় বৰ্ষ।
২য় মিচ্ পদুমী ৰাভা (৩০মি.), উঃমাঃ ১ম বৰ্ষ।

**১৩। ছোৱালীৰ জেফলিন থ্ৰঃ-**

১ম মিচ্ কাকুমনি ৰাভা (১৭.৫০) , উঃমাঃ ২য় বৰ্ষ।
২য় মিচ্ মিনাক্ষী দাস (১১.৭০), উঃমাঃ ১ম বৰ্ষ।

**১৪। ছোৱালীৰ ডিচ্কাচ্ থ্ৰঃ-**

১ম মিচ্ চিত্ৰা কছাৰী, উঃমাঃ ১ম বৰ্ষ।
২য় মিচ্ ৰুণা ৰাভা, উঃমাঃ ১ম বৰ্ষ।

**১৫। ছোৱালীৰ ১০০ মিটাৰ দৌৰঃ-**

১ম মিচ্ কাকুমনি ৰাভা, উঃমাঃ ২য় বৰ্ষ।
২য় মিচ্ কল্যানী দাস, উঃমাঃ ২য় বৰ্ষ।

**১৬। ছোৱালীৰ ২০০মিটাৰ দৌৰঃ-**

১ম মিচ্ কাকুমনি ৰাভা, উঃমাঃ দ্বিতীয় বৰ্ষ।
২য় (যুতীয়াভাবে)
মিচ্ মৌচুমী পাটগিৰী, স্নাতক ১ম বৰ্ষ।
মিচ্ ৰূপা ৰাভা, উঃমাঃ ১ম বৰ্ষ।

**১৭। ছোৱালীৰ ৰেলিৰেচ্ঃ-**

প্ৰথম ঃ কাকুমনি ৰাভাৰ দল—
১। মিচ্ কাকুমনি ৰাভা।
২। মিচ্ কল্যানী দাস।
৩। মিচ্ মিনাক্ষী দাস।
৪। মিচ্ খুৰচিদা ৰহমান।

দ্বিতীয় ঃ মিচ্ মৌচুমী পাটগিৰীৰ দল—
১। মিচ্ মৌচুমী পাটগিৰী।
২। মিচ্ চিত্ৰা কছাৰী।
৩। মিচ্ নিতুমনি ৰাভা।
৪। মিচ্ নিশাৰণী ৰাভা।

১৮। ফুটবলঃ-

প্ৰথম স্থান ঃ উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ দল—

১। শ্ৰীদীপক ৰাভা (অধিনায়ক)
২। মোঃ আবুছাচফি ইমদাদ হুছেইন।
৩। শ্ৰীব্ৰহ্ম বসুমতাৰী।
৪। শ্ৰীঅনিল ৰাভা।
৫। শ্ৰীঅমূল্য ৰাভা।
৬। শ্ৰীভৱেশ দৈমাৰী।
৭। শ্ৰীশুদ্ধোধন ৰায়,
৮। শ্ৰীপঙ্কজ বসুমতাৰী।
৯। শ্ৰীবুলবুল কুমাৰ ৰায়।
১০। শ্ৰীনৰমোহন খাখলাৰী।
১১। শ্ৰীৰোহিনী ৰাভা।
১২। শ্ৰীঅসীম দাস।
১৩। শ্ৰীগোবিন্দ বড়ো।
১৪। শ্ৰীলক্ষ্য ৰাভা।
১৫। শ্ৰীদিবেন্দু পদ্দাৰ।

দ্বিতীয় স্থান ঃ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ দল—

১। শ্ৰীজগদ্বীপ ৰাভা।
২। শ্ৰীভবেশ ৰাভা (অধিনায়ক)
৩। শ্ৰীমংগল সিং বসুমতাৰী।
৪। শ্ৰীদিবাকৰ বসুমতাৰী।
৫। শ্ৰীদিপু খাখলাৰী।
৬। শ্ৰীনৰকুমাৰ কছাৰী।
৭। শ্ৰীবিনাক্ত ৰাভা।
৮। শ্ৰীবিনন্দ ৰাভা।
৯। শ্ৰীঅনল দৈমাৰী।
১০। শ্ৰীজিতু হাজোৰাৰী।
১১। শ্ৰীহৰিশ বড়ো।
১২। শ্ৰীসুনীল কুমাৰ ৰাভা।
১৩। শ্ৰীবাবুল ৰাভা।
১৪। শ্ৰীজ্যোতিষ সূত্ৰধৰ।

**19. Cricket:-**

*Winner:-* (H.S. 2nd year)

1. Sri Pinku Roy.
2. Sri Madhab Das.
3. Sri Dibendu Podder.
4. Sri Mridul Das.
5. Sri Sankar Mitra.
6. Md. Abu Safi Imdad Hussain (C).
7. Sri Bhabesh Daimary.
8. Sri Bidyadhar Rabha.
9. Md. Aminur Islam (W).
10. Md. Najim Ahmed.
11. Md. Aminur Hauqe.
12. Md. Ekwal Ahmed.

*Runners up:-*

1. Sri Santi Das (C).
2. Sri Niranjan Roy.
3. Sri Apurba Patowary.
4. Sri Ramesh ch. Rabha.
5. Sri Mukul Pathak.
6. Sri Jayanta Patowary.
7. Sri Goreswar Boro.
8. Sri Herambo Roy.
9. Sri Krishna Medhi.
10. Sri Mukul Das.
11. Sri N. Roy.

২০। কাবাদীঃ-

প্ৰথম ঃ- উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ দল—

১। মিচ্ ৰূপা ৰাভা।
২। মিচ্ চিত্ৰা কছাৰী।
৩। মিচ্ চম্পা ৰাভা।
৪। মিচ্ নিশাৰাণী ৰাভা।
৫। মিচ্ মিনাক্ষী দাস।
৬। মিচ্ ৰুনমি চৌধুৰী।
৭। মিচ্ জিউমা খাখলাৰী।
৮। মিচ্ ৰিনিমায়া দাস।

দ্বিতীয় ঃ-

১। মিচ্ মৌচুমী পাটগিৰী।
২। মিচ্ মাইদাংশ্ৰী পাটগিৰী।
৩। মিচ্ জুনমনি সূত্ৰধৰ।
৪। মিচ্ কৰিশ্মা ৰহমান।
৫। মিচ্ ফুনুমনি সৰকাৰ।
৬। মিচ্ খৈলাখুংৰী খাখলাৰী।
৭। মিচ্ মিলি দেৱী।
৮। মিচ্ ৰঞ্জিতা দাস।

# সাংস্কৃতিক বিভাগৰ ফলাফল

**সংগীত প্ৰতিযোগিতাৰ ফলাফলঃ-**

*১। বৰগীত প্ৰতিযোগিতাঃ-*

১ম শ্ৰীমিনাক্ষী ৰয়, স্নাতক ৩য় বৰ্ষ।

২য় শ্ৰীৰিংকি দাস, উচ্চতৰ মাঃ ২য় বৰ্ষ।

*২। ভজন প্ৰতিযোগিতাঃ-*

১ম শ্ৰীমিনাক্ষী ৰয়, স্নাতক ৩য় বৰ্ষ।

২য় শ্ৰীনিপন মজুমদাৰ, স্নাতক ৩য় বৰ্ষ।

*৩। জোতি সংগীত প্ৰতিযোগিতাঃ-*

১ম শ্ৰীৰিংকি দাস, উচ্চতৰ মাঃ ২ য় বৰ্ষ।

২য় শ্ৰীমিনাক্ষী ৰয়, স্নাতক ৩য় বৰ্ষ।

*৪। বিষ্ণু সংগীত প্ৰতিযোগিতাঃ-*

১ম শ্ৰীৰিংকি দাস, উচ্চতৰ মাঃ ২য় বৰ্ষ।

২য় শ্ৰীতৃষ্ণামনি অধিকাৰী, উচ্চতৰ মাঃ ২য় বৰ্ষ।

শ্ৰীসোনপাহী দাস, স্নাতক ২ য় বৰ্ষ।

*৫। লোকগীত প্ৰতিযোগিতাঃ-*

১ম শ্ৰীৰিংকি দাস, উচ্চতৰ মাঃ ২ য় বৰ্ষ।

২য় শ্ৰীতৃষ্ণামনি অধিকাৰী, উচ্চতৰ মাঃ ২ য় বৰ্ষ।

*৬। অসমীয়া আধুনিক গীতঃ-*

১ম শ্ৰীমিনাক্ষী ৰয়, স্নাতক ৩য় বৰ্ষ।

২য় শ্ৰীৰিংকি দাস, উচ্চতৰ মাঃ ২য় বৰ্ষ।

*৭। বড়ো আধুনিক গীতঃ-*

১ম শ্ৰীমিনাক্ষী ৰয়, স্নাতক ৩য় বৰ্ষ।

২য় শ্ৰীমনোজ কুমাৰ বড়ো, উচ্চতৰ মাঃ ১ম বৰ্ষ।

*৮। ৰাভা আধুনিক গীতঃ-*

১ম শ্ৰীলাচিত বসুমতাৰী, উচ্চতৰ মাঃ ২য় বৰ্ষ।

২য় শ্ৰীৰিংকি দাস, উচ্চতৰ মাঃ ২য় বৰ্ষ।

**বছৰটোৰ শ্ৰেষ্ঠ গায়িকাঃ-**

**শ্ৰীৰিংকি দাস, উচ্চতৰ মাঃ ২য় বৰ্ষ।**

**নৃত্য প্ৰতিযোগিতাঃ-**

*১। বিহু কুৱৰী প্ৰতিযোগিতাঃ-*

১ম শ্ৰীবন্দনা ৰায় চৌধুৰী, উচ্চতৰ মাঃ ২য় বৰ্ষ।

২য় কৰৱী কলিতা, স্নাতক ৩য় বৰ্ষ।

*২। জোতি নৃত্য প্ৰতিযোগিতঃ-*

১ম শ্ৰীবন্দনা ৰায় চৌধুৰী, উচ্চতৰ মাঃ ২য় বৰ্ষ।

২য় শ্ৰীমামনি সৰকাৰ, উচ্চতৰ মাঃ ২য় বৰ্ষ।

*৩। আধুনিক নৃত্য প্ৰতিযোগিতাঃ-*

১ম শ্ৰীপলাসী বসুতাৰী, উচ্চতৰ মাঃ ১ম বৰ্ষ।

২য় শ্ৰীবন্দনা ৰায় চৌধুৰী, উচ্চতৰ মাঃ ২য় বৰ্ষ।

*৪। দলীয় লোকনৃত্য প্ৰতিযোগিতাঃ-*

১ম শ্ৰীমনজিৎ কছাৰী আৰু তেওঁৰ দল
(গাৰো নৃত্য, আমৰলি ভঙা)

২য় শ্ৰীশুদ্ধোধন দৈমাৰী আৰু তেওঁৰ দল
(বিহু হুচুৰী দল)

*৫। আন্তঃক্ষৰী প্ৰতিযোগিতাঃ-*

১ম শ্ৰীতৃষ্ণামনি অধিকাৰী আৰু তেওঁৰ দল।

২য় শ্ৰীমাধৱ দাস আৰু তেওঁৰ দল।

**অভিনয় প্ৰতিযোগিতাৰ ফলাফল ঃ-**

*১। একক অভিনয় প্ৰতিযোগিতাঃ-*

১ম শ্ৰীপ্ৰমোদ মণ্ডল, স্নাতক ২য় বৰ্ষ।

২য় শ্ৰীমীৰামনি কলিতা, স্নাতক ৩য় বৰ্ষ।

*২। মুকাভিনয় প্ৰতিযোগিতাঃ-*

১ম শ্ৰীবন্দনা ৰায় চৌধুৰী, উচ্চতৰ মাঃ ২য় বৰ্ষ।

২য় মোঃ আমিনুৰ ইছ্লাম, উচ্চতৰ মাঃ ২য় বৰ্ষ।

*৩। কৌতুক প্ৰতিযোগিতাঃ-*

১ম শ্ৰীকৰবী শৰ্মা, স্নাতক ২য় বৰ্ষ।

২য় শ্ৰীমনজিৎ কছাৰী, উঃমাঃ ২য় বৰ্ষ।

*৪। একাংকিকা নাট প্ৰতিযোগিতাঃ-*

১ম ঃ নাটক নহয় নক্সা।

২য় ঃ এখন ঘৰ।

৩য় ঃ অভিনয়।

শ্ৰেষ্ঠ অভিনেতা ঃ শ্ৰীইন্দ্ৰ ৰয়, উঃমাঃ ২য় বৰ্ষ।
(নাটক নহয় নক্সা)

শ্ৰেষ্ঠ অভিনেত্ৰী ঃ শ্ৰীবন্তী মেধী, উঃমাঃ ২য় বৰ্ষ।
(এখন ঘৰ)

*৫। ভেকচন প্ৰতিযোগিতাঃ-*

১ম শ্ৰীৰঞ্জিত মেধী, স্নাতক ৩য় বৰ্ষ।

২য় মোঃ আমিনুৰ হক, উঃমাঃ ২য় বৰ্ষ।

# Minor Game's Prizes

**Badminton Boys Single:-**

1st Sri Arun Khakhalary.
2nd Sri Debo Basumatary.

**Boys Double:-**

*Winner:-*

Sri Arun Khakhalary
Sri Ghanasankar Khakhalary.

*Runners up:-*

Sri Jitumoni Chaudhary.
Sri Dibendu Podder.

**Badminton Girls Single:-**

1st Miss Karishma Rahman.
2nd Miss Baby Najlin.

**Badminton Girls Double:-**

*Winner:-*

Miss Karishma Rahman.
Miss Minakshi Das.

*Runners up:-*

Miss Mausumi Patgiri.
Miss Junmoni Sutradhar.

**Badminton Mix Double:-**

*Winner:-*

Sri Ghanasankar Khakhalary.
Miss Mausumi Patgiri.

*Runners up:-*

Sri Arun Khakhalary.
Miss Shahera Begam.

**Volley Ball:-**

*Winner:-*

Six Star

Sri Rintu Das (C)
Sri Pushpa Roy.
Md. Ritu Ali.
Sri Dibyajyoty Adhikary.
Sri Ujjal Ray Choudhury.
Sri Anil Rabha.
Md. Abu Safi Imdad Hussain.

*Runners up:-*

Seven Star

Sri Niranjan Roy (C)
Sri Apurba Roy.
Sri Santi Das.
Sri Bhabesh Daimary.
Sri Upukul Roy.
Sri Barma Basumatary.
Sri Ramesh Rabha.

# ছাত্ৰ জিৰণি কোঠাৰ ফলাফল

১। একক কেৰমঃ-

১ম ইমদাদ হুছেইন, উঃমাঃ ২য় বৰ্ষ।
২য় ইকবাল আহমেদ, উঃমাঃ ২য় বৰ্ষ।

২। দ্বৈত কেৰমঃ-

*প্ৰথমঃ-*

শ্ৰীঘনশংকৰ খাখলাৰী, উঃমাঃ ২য় বৰ্ষ।
শ্ৰীবাপন সূত্ৰধৰ, উঃমাঃ ১ম বৰ্ষ।

*দ্বিতীয়ঃ-*

শ্ৰীমৃদুল দাস, উঃমাঃ ২য় বৰ্ষ।
মোঃ নাজিমুদ্দিন আহমেদ, উঃমাঃ ২য় বৰ্ষ।

৩। দবাঃ-

১ম শ্ৰীজয়ৰাম দাস, উঃমাঃ ২য় বৰ্ষ।
২য় সোণটি দাস, স্নাতক ৩য় বৰ্ষ।

৪। পাঞ্জাঃ-

১ম শ্ৰীডাক্তৰ কছাৰী, স্নাতক ২য় বৰ্ষ।
২য় মোঃ ইমদাদ হুছেইন, উঃমাঃ ২য় বৰ্ষ।
৩য় শ্ৰীঅপূৰ্ব কলিতা, স্নাতক ২য় বৰ্ষ।

# Girl's Common Room's Prizes

**Carrom Single:-**

1st Miss Karishma Rahman
2nd Miss Phunumoni Sarkar.

**Carrom Doulle:-**

*Wniner:-*

Miss Nilufar Yajmin

Miss Monawara Begam

*Runners up:-*

Miss Karishma Rahman

Miss Minashi Das.

**Ring Single:-**

1st Miss Karishma Rahman.

2nd Miss Kolyani Kalita.

**Ring Double:-**

*Winer:-*

Miss Karishma Rahman

*Runers up:-*

Miss Minashi Das.

Miss Kolyani Kalita.

**Meusic Chair:-**

1st Miss Nisharani Rabha.

2nd Miss Kolyani Kalita.

**Carrom Mix Double:-**

*Winer:-*

Md. Abu safi Imdad Hussain.

Miss Nilufar Yajmin.

*Runners up:-*

Md. Forijul Rahman.

Miss Funumoni Sarkar.

**Indian Dresses:-**

1st Miss Baby Nazmin Zaman

2nd Miss Mahmuda Rahman.

**Chess:-**

1st Miss Meena Begam.

2nd Miss Mausomi Patgiri.

**Embroidary:-**

*Consolation Prize:-*

Miss Junmoni Sutradhar.

**Flower arrangement:-**

*Consolation Prize:-*

Miss Khursida Sultana.

**Cooking:-**


*Consolation Prize:-*


Miss Karishma Rahman.

**Sewing:-**

1st Miss Junamoni Kalita.

2nd Miss Mitali Das.





# সাহিত্য বিভাগৰ ফলাফল

১। অসমীয়া আবৃত্তি প্ৰতিযোগিতাৰ ফলাফলঃ-

১ম হাচিমুন বেগম, উঃমাঃ ১ম বৰ্ষ।

২য় শ্ৰীউপকুল ৰয়, স্নাতক ২য় বৰ্ষ।

২। বড়ো আবৃত্তি প্ৰতিযোগিতাৰ ফলাফলঃ-

১ম শ্ৰীপলেন্দ্ৰ খাখলাৰী, স্নাতক ২য় বৰ্ষ।

২য় শ্ৰীজিউমা খাখলাৰী, উঃমাঃ ২য় বৰ্ষ।

৩। ৰাভা আবৃত্তি প্ৰতিযোগিতাৰ ফলাফলঃ-

১ম শ্ৰীৰুদ্ৰ সিং ৰাভা, উঃমাঃ ২য় বৰ্ষ।

২য় শ্ৰীচম্পাৰতী ৰাভা, উঃমাঃ ২য় বৰ্ষ।

৪। ইংৰাজী আবৃত্তি প্ৰতিযোগিতাঃ-

১ম মোঃ আচিকুৰ হিলালী, স্নাতক ২য় বৰ্ষ।

২য় মিলি দেৱী, স্নাতক ১ম বৰ্ষ।

৫। তৰ্ক প্ৰতিযোগিতাৰ ফলাফলঃ-

১ম শ্ৰীঅভিমন্যু দাস, স্নাতক ১ম বৰ্ষ।

২য় শ্ৰীলক্ষ্মী ৰাণী নাথ, স্নাতক ৩য় বৰ্ষ।

৬। আকস্মিক বক্তৃতাৰ ফলাফলঃ-

১ম শ্ৰীগোপাল দাস, স্নাতক ২য় বৰ্ষ।

২য় শ্ৰীকৰবী শৰ্মা, স্নাতক ২য় বৰ্ষ।

৭। ঠিতাতে লিখা কবিতা প্ৰতিযোগিতাঃ-

১ম বাপোন সূত্ৰধৰ, উঃমাঃ ১ম বৰ্ষ।

২য় বাচনিত নুঠিল।

৮। কুইজ প্ৰতিযোগিতাৰ ফলাফলঃ-

১ম আচিকুল হিলালীৰ দল--

২য় শ্ৰবিপুল কুমাৰ ৰাভাৰ দল---

৯। ৰচনা প্ৰতিযোগিতাৰ ফলাফলঃ-

১ম শ্ৰীৰঞ্জিত হাজং, স্নাতক ২য় বৰ্ষ।

২য় বাচনিত নুঠিল।

